**জনসংযোগ, অসম** **চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২৮৬**

## আউনীআটি শাখা সত্ৰৰ প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন
## নতুন প্ৰজন্মক আধ্যাত্মিকভাৱে শক্তিশালী কৰি গঢ়ি তুলিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ মে' ঃ** 'নতুন প্ৰজন্মক শক্তিশালীভাৱে গঢ় দিব লাগিলে, শৃংখলাবোধ সম্পন্ন জীৱন যাপনৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব। আধ্যাত্মিক অনুষ্ঠান সমূহে এই ক্ষেত্ৰত পথ প্ৰদৰ্শকৰ ভূমিকা ল'ব লাগিব। আধ্যাত্মিক চিন্তা-চৰ্চ্চাৰে ব্যক্তিগত জীৱন উজ্বলাই তোলাৰ লগতে সামাজিক দায়বদ্ধতাৰে সমাজ জীৱনৰ উত্তৰণৰ ক্ষেত্ৰতো বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব।' আজি ডিব্ৰুগড়ৰ মানকটা কছাৰীবাৰীত মুখ্যমন্ত্ৰীৰ আছুতীয়া পুঁজিৰ এক কোটি টকাৰে শ্ৰীশ্ৰী আউনীআটি শাখা সত্ৰত এটি প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই প্ৰেক্ষাগৃহটো নিৰ্মাণ হৈ উঠিলে বৃহত্তৰ কছাৰীবাৰী অঞ্চলৰ ৰাইজে আধ্যাত্মিক শক্তি বুটলিবলৈ সক্ষম হ'ব। আধ্যাত্মিক শক্তিৰে আমি শান্তি আৰু সমন্বয়ৰ বাতাবৰণ সৃষ্টি কৰিব লাগিব। আমাৰ মাজত ভাতৃত্ববোধ শক্তিশালী হ'লেহে সমৃদ্ধশালী সমাজ নিৰ্মাণ সম্ভৱ হ'ব। আধ্যাত্মিকতাবোধেৰে আমি মানৱীয় প্ৰমূল্যবোধৰ বিকাশ সাধন কৰিব লাগিব। মানৱপ্ৰেম অবিহনে আমি সমাজ এখনক শক্তিশালী ৰূপত আগবঢ়াই নিব নোৱাৰো। আধ্যাত্মিক ভাৱধাৰাৰে আমি জ্ঞান আহৰণ কৰি সহযোগিতাৰ মানসিকতাৰে আগবাঢ়িব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

১৮০ বছৰীয়া ডিব্ৰুগড় চহৰৰ এক ঐতিহ্য আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই প্ৰেক্ষাগৃহটো নিৰ্মাণ হৈ উঠিলে চহৰখনত এক নতুন দিশ সংযোজন হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়ত্ৰী সমাজৰ দুই মহাশক্তি। এই দুই মহাশক্তিয়ে সমাজখন পৰিস্কাৰ কৰিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। সমাজখন পৰিস্কাৰ কৰিবলৈ নতুন প্ৰজন্মক নৈতিক শিক্ষা প্ৰদান কৰিব লাগিব। উঠি অহা প্ৰজন্মক ভাল মানুহ হিচাপে গঢ় দিয়াৰ বাবে গুৰু দায়িত্ব ল'বই লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে আধ্যাত্মিক অনুষ্ঠান সমূহে আধ্যাত্মিক জ্ঞান প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সমাজত শান্তি-সমন্বয়, ভাতৃত্ববোধ সৃষ্টিত সত্ৰসমূহে বিশেষ ভূমিকা লৈ আহিছে। সেইবাবে ৰাজ্য চৰকাৰে সত্ৰসমূহৰ সংৰক্ষণ আৰু বিকাশৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। সত্ৰীয় কলা-সংস্কৃতিৰ বিকাশ সাধনৰ জৰিয়তে আমাৰ শক্তিশালী ৰূপ প্ৰদৰ্শন কৰিব লাগিব। বৃহত্তৰ অসমীয়া সমাজক আদৰ্শ হিচাপে দাঙি ধৰাৰ বাবে আমি সৰ্বাত্মক প্ৰয়াস চলাব লাগিব। আধ্যাত্মিক জ্ঞানেৰেহে ভাৰতবৰ্ষৰ বুকুত আমাৰ শক্তিশালী ৰূপ প্ৰদৰ্শন কৰাটো সম্ভৱ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ অনুষ্ঠানত সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক ঋতুপৰ্ণ বৰুৱা, আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়েও ভাষণ দিয়ে।

অনুষ্ঠানত বিধায়ক প্ৰশান্ত ফুকন, সঞ্জয় কিষান, সুৰেন ফুকন, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাঙ্কাৰী, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক উপলক্ষে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

সঃমঃকঃ/ পুঃডেঃ/
১৪/৫/২০১৭